**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-02-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---------------------

এদিনৰ বিৰতিৰ মূৰত অসম বিধানসভাৰ বাজেট অধিবেশন আজিৰে পৰা দিশপুৰত অনুষ্ঠিত হ'ব। আজি সদনত প্ৰশ্নোত্তৰ কালৰ পাছতেই ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। আমাৰ সংবাদদাতাই জনোৱা মতে, কোকৰাঝাৰত অনুষ্ঠিত বাজেট অধিবেশনৰ প্ৰথম দিনাৰ বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দাখিল কৰা বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনত প্ৰকাশিত কেতবোৰ প্ৰসংগ সন্দৰ্ভতো সদনৰ শূন্যকালত আলোচনা হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ২০১৩ আৰু ২০১৪ বৰ্ষৰ অসম লোকসেৱা আয়োগে নিৰ্বাচন কৰা অসামৰিক সেৱাৰ বিষয়াৰ নিযুক্তিত হোৱা কেলেংকাৰী সন্দৰ্ভত উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাই  প্ৰায় ৩ বছৰ পূৰ্বেই প্ৰতিবেদন দাখিল কৰিছিল যদিও এই প্ৰতিবেদন বিধানসভাত দাখিল কৰা হোৱা নাছিল।

কাইলৈ অসম বিধানসভাৰ বাজেট অধিবেশনৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হোৱাৰ পাছত পৰৱৰ্তী দহ দিন সদনৰ বৈঠক অনুষ্ঠিত নহয়। ৩ মাৰ্চৰ পৰা ৭ মাৰ্চ শুকুৰবাৰলৈ সদনৰ বৈঠক অনুষ্ঠিত হ'ব। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ৰাজ্যখনৰ সাধাৰণ বাজেট উত্থাপন কৰিব। বাজেট সম্পৰ্কীয় আলোচনাৰ বাবে ১১ আৰু ১২ মাৰ্চৰ দিন দুটা আছুতীয়াকৈ ৰখা হৈছে। ১৩ মাৰ্চৰ পৰা ২০ মাৰ্চলৈ সদনৰ স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে সদনৰ কাম-কাজ স্থগিত থাকিব। ২১, ২৪ আৰু ২৫ মাৰ্চত সদনৰ কাম-কাজ অনুষ্ঠিত হ'ব আৰু ২৫ মাৰ্চত অসম বিধানসভাৰ অধিবেশন অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখা হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিধানসভা অধিবেশন অনুষ্ঠিত হোৱা দিনত প্ৰতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ মিনিটৰ বাবে ***বিধানসভাত আজিৰ দিনটো*** প্ৰচাৰ কৰিব। ইয়াৰ উপৰি ১০ মাৰ্চত বিত্তমন্ত্ৰীয়ে সদনত দিয়া বাজেট ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

oooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মিচিং জনজাতীয় লোকসকলে মাহজোৰা প্ৰস্তুতিৰ অন্তত কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং পালন কৰিছে। এই উৎসৱক লৈ মিচিং বসতিপ্ৰধান অঞ্চলসমূহত উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে। অসমীয়া সমাজ জীৱনৰ সমন্বয়ৰ সেঁতু গঢ়ি মিচিং জনজাতীয় লোকসকলে প্ৰতিবছৰে এই উৎসৱ পালন কৰি আহিছে। ং

আলি-আয়ে-লৃগাং উপলক্ষে ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, শিৱসাগৰ, উত্তৰ-লখিমপুৰ, ধেমাজি, শোণিতপুৰ, বিশ্বনাথ চাৰিআলি, গোলাঘাট, মাজুলী আৰু চৰাইদেউ জিলাত আজি চৰকাৰী বন্ধ ঘোষণা কৰা হৈছে।

উজনি-মাজুলী আলি-আয়ে-লৃগাং উদযাপন সমিতিৰ উদ্যোগত দ্বিতীয়বাৰৰ বাবে অহা ২২ আৰু ২৩ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে এই উৎসৱৰ আয়োজন কৰা হৈছে।

oooooo

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ পৰিপ্ৰেক্ষিতত যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত তথা জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়া-মুৰব্বীসকল উপস্থিত থকা

বৈঠকখনত ঔদ্যোগিকৰণ আৰু ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে আয়োজিত জিলা উদ্যম, সমাগম সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০

ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ উদ্যোগত আৰু স্পিয়েৰ সংস্থাৰ সহযোগত যোৱা সোমবাৰৰ পৰা মহাবিদ্যালয়ৰ চৌহদত অনুষ্ঠিত শৈক্ষিক মেলাত দিল্লী, মহাৰাষ্ট্ৰ, পাঞ্জাৱ, বেংগালুৰুকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ২০ খন শিক্ষানুষ্ঠানে অংশগ্ৰহণ কৰিছে। শৈক্ষিক মেলাৰ সৈতে সংগতি ৰাখি প্ৰতিদিনে আলোচনা চক্ৰও অনুষ্ঠিত হৈছে। ৩০০ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই মেলাত দেশৰ বিভিন্ন বিশ্ববিদ্যালয় আৰু শৈক্ষিক অনুষ্ঠানৰ প্ৰতিনিধিসকলক সম্বৰ্ধনা জনোৱা হয়।

০০০০০০

মহাশিৱৰাত্ৰি উৎসৱ আৰু মেলা উপলক্ষে অহা ২৭ ফেব্ৰুৱাৰী তাৰিখে সমগ্ৰ শিৱসাগৰ জিলাত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। জিলাখনৰ আয়ুক্ত আয়ুষ গৰ্গে, সেই দিনটোত ৰাজ্য চৰকাৰৰ অধীনৰ সকলো কাৰ্যালয়, শিক্ষানুষ্ঠান, বিত্তীয় অনুষ্ঠান আদি বন্ধ থাকিব বুলি নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০

ওড়িশাৰ কটকত কাইলৈ আৰম্ভ হ'বলগীয়া ৭১ সংখ্যক ৰাষ্ট্ৰীয় পুৰুষ কাবাডী প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া অসমৰ দলটোত মৰিগাঁও জিলাৰ তিনিজন প্ৰতিভাবান খেলুৱৈ স্থান লাভ কৰিছে। জিলাখনলৈ গৌৰৱ কঢ়িওৱা মকিবুৰ ৰহমান, আতিকুৰ ৰহমান আৰু ৰাজামণি আহমেদ প্ৰতিযোগিতাত অংশ লবলৈ কালি কটকলৈ ৰাওনা হয়। মৰিগাঁৱৰ খেলুৱৈকেইজনৰ লগতে অসমৰ দলটোলৈ মৰিগাঁও জিলা কাবাডী সন্থাই শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ নৱম সংস্কৰণ আজি আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত পাকিস্তানৰ কৰাচীত আজি যোৱাবাৰৰ বিজয়ী পাকিস্তান নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

পাকিস্তান আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰত হ'বলগীয়া আৰু বিশ্বৰ শীৰ্ষস্থানৰ ৮খন দেখে অংশ ল'বলগীয়া প্ৰতিযোগিতাখনৰ গ্ৰুপ-এত ভাৰত, নিউজিলেণ্ড, বাংলাদেশ আৰু আয়োজক পাকিস্তান তথা গ্ৰুপ-বিত আফগানিস্তান, অষ্ট্ৰেলিয়া, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাক ৰখা হৈছে। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন অহা ৯ মাৰ্চত খেলোৱা হ'ব। ২০১৭ চনত অনুষ্ঠিত চেম্পিয়নছ ট্ৰফীৰ শেহতীয়া সংস্কৰণত পাকিস্তানে ভাৰতক পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছিল। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতে কাইলৈ ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

সমাপ্ত